**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-08-2025
**Time :** 1715HRS

***Assamese Evening Bulletin***

***- - - - - - - - - - - - - -***

ড° ভূপেন হাজৰিকা বছৰযোৰা জন্ম শতবাৰ্ষিকী উদ্‌যাপনৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত আনুষ্ঠানিকভাৱে এটা পোৰ্টেল মুকলি কৰে। পোৰ্টেল মুকলিৰ পূৰ্বে সাংবাদিকক সম্বোধন কৰি মুখ্যমন্ত্ৰী শৰ্মাই ৫ ছেপ্তেম্বৰত খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত বিয়লি চাৰে পাচ বজাত হ'বলগীয়া ভূপেন হাজৰিকা জন্ম শতবাৰ্ষিকীৰ উদ্বোধনী অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বুলি প্ৰকাশ কৰে। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰীগৰাকীয়ে কেইবাটাও ভাষাত লিখি উলিওৱা ভূপেন হাজৰিকাৰ জীৱনী গ্ৰন্থ উন্মোচন কৰাৰ লগতে ভূপেন হাজৰিকাৰ স্মৃতিত এটা মুদ্ৰাও মুকলি কৰিব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই জনায়। উদ্বোধনী অনুষ্ঠানত এক হেজাৰ শিল্পীয়ে ড° ভূপেন হাজৰিকাৰ কেইবাটাও গীতৰ এটাকৈ অন্তৰা অসমীয়া, বঙালী আৰু হিন্দী ভাষাত কৰিব। ইয়াৰ বাবে প্ৰতিখন মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ কণ্ঠশিল্পীসকলক আমন্ত্ৰণ জনোৱা হ'ব। প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণতে দৰং জিলাত তিনিটা প্ৰকল্প মুকলি কৰাৰ লগতে গুৱাহাটী ৰিং ৰোডৰ আধাৰশিলা স্থাপন কৰিব বুলি মুখ্যমন্ত্ৰীয়ে জনায়। এই সংবাদমেলতে মুখ্যমন্ত্ৰী শৰ্মাই ২৯ আগষ্টত গৃহমন্ত্ৰী অমিত শ্বাহে অসম ভ্ৰমণ কৰি নতুন ৰাজভৱন মুকলি কৰিব বুলিও প্ৰকাশ কৰে। একেখন সংবাদমেলতে অৰুণোদয় আঁচনি সন্দৰ্ভত মুখ্যমন্ত্ৰী শৰ্মাই কয়, যে ১৭ ছেপ্তেম্বৰত অৰুণোদয় আঁচনিৰ তৃতীয় সংস্কৰণ মুকলি কৰা হ'ব। ২০১৯ চনত আৰম্ভ কৰা অৰুণোদয় আঁচনিৰ হিতাধিকাৰী ৮৩০ টকাকৈ লাভ কৰিছিল। আঁচনিখনৰ দ্বিতীয় সংস্কৰণত ২৮ লাখ লোকে আঁচনিৰ সুবিধা লাভ কৰিছিল আৰু তৃতীয় সংস্কৰণত ৪০ লাখৰো অধিক হিতাধিকাৰী অন্তৰ্ভুক্ত হ'ব, ইয়াৰে ৬ লাখ হিতাধিকাৰী বি টি আৰৰ। অৰুণোদয় হিতাধিকাৰীয়ে ৰন্ধন গেছতো ২২৫ টকাকৈ ৰেহাই পাব বুলি মুখ্যমন্ত্ৰীয়ে সংবাদমেলতে প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে সংবাদমেলত আৰু কয়, যে ৬ আগষ্টত নিযুঁত মইনা আঁচনিৰ প্ৰ-পত্ৰ বিতৰণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে কয়, যে এইবাৰ তেজপুৰ আৰু অসম বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীয়ে নিযুঁত মইনা আঁচনিৰ সুবিধা লাভ কৰিব। প্ৰাদেশিকীকৃত মহাবিদ্যালয়ৰ শিক্ষাৰ্থীয়ে স্নাতক তৃতীয়বৰ্ষলৈ বিয়া নবহিলে এই আঁচনিৰ সুবিধা লাভ কৰিব। ৰাজ্যত চলি থকা উচ্ছেদ সম্পৰ্কত মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে চৰকাৰী খালী মাটি সুৰক্ষাৰ বাবে গাঁও অঞ্চলত সমবায় গঠনৰ বাবে আলোচনা কৰা হ'ব বুলি প্ৰকাশ কৰে।

০০০০০০০০

ৰাজ্যত বৰ্তমানলৈকে ১ লাখ ৩৯ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটীত সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে উৰিয়ামঘাট অঞ্চলত চলোৱা উচ্ছেদ অভিযানত ১০ হাজাৰৰো অধিক ভূমি দখলমুক্ত কৰা হৈছে। পূৰ্বতে ১ লাখ ২৯ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰা হৈছিল বুলি তেওঁ জানিবলৈ দিয়ে। ড° শৰ্মাই লগতে উৰিয়ামঘাটত চলোৱা উচ্ছেদ অভিযানত সহযোগিতা কৰাৰ বাবে নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ক ধন্যবাদ জ্ঞাপন কৰে। গুৱাহাটীৰ বনাঞ্চল সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে

কয়, যে ৰাজ্য চৰকাৰে মহানগৰখনৰ বনাঞ্চলত বাস কৰা অখিলঞ্জীয়া লোকৰ সংখ্যা ঠিৰাং কৰাৰ বাবে জৰীপ চলাব। মহানগৰখনৰ জন-গাঁথনি সলনি কৰা লোকসকলক জৰীপত সামৰি লোৱা হ'ব বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে চৰকাৰে থলুৱা আৰু খিলঞ্জীয়া লোকসকলক উচ্ছেদ কৰাৰ কথা চিন্তা কৰা নাই। তেওঁ কয়, যে অসমত কমেও তিনিটা প্ৰজন্ম বাস কৰি থকা লোকসকলৰ চিন্তাৰ কোনো কাৰণ নাই। বনভূমি দখল কৰি থকা অখিলঞ্জীয়া লোকক উচ্ছেদৰ বাবে যিকোনো সময়তে অভিযান আৰম্ভ কৰা হ'ব পাৰে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সকিয়াই দিয়ে। ড° শৰ্মাই লগতে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ জৰিয়তে খিলঞ্জীয়া লোকসকলে ভূমি পট্টা লাভ কৰিব বুলি ঘোষণা কৰে।

oooooooo

ৰাজ্যত জুনত চাহৰ উৎপাদন যোৱা বছৰৰ তুলনাত ১২ শতাংশ হ্ৰাস পাইছে। বৰষুণৰ পৰিমাণ হ্ৰাস পোৱাৰ বাবে এনে হোৱা বুলি কোৱা হৈছে। ভাৰতীয় চাহ সংস্থাৰ অসম শাখাৰ সচিব মাধুৰ্য বৰুৱাই কালি কয়, যে জুলাইত ৰাজ্যত বৰষুণৰ পৰিমাণ স্বাভাৱিকতকৈ ৩০ৰ পৰা ৪০ শতাংশ হ্ৰাস পাইছে আৰু ইয়াৰ ফলত অনাগত সময়ত চাহৰ উৎপাদন আৰু হ্ৰাস পোৱাৰ সম্ভাৱনাই দেখা দিছে। ভাৰতীয় চাহ পৰিষদৰ অধ্যক্ষ সৰ্বেশ চহৰীয়াই চাহ উদ্যোগৰ বাবে পৰিস্থিতি উদ্বেগজনক হৈ পৰা বুলি প্ৰকাশ কৰিছে। অধিক চাহ উৎপাদন হোৱা উজনি অসমৰ পানীতোলা, টেঙাখাত আৰু ডুমডুমাৰ দৰে এলেকাসমূহত খৰাং সদৃশ পৰিস্থিতিৰ সৃষ্টি হৈছে আৰু ইয়াৰ ফলত চাহৰ কুমলীয়া পাত ওলোৱাত বাধাৰ সৃষ্টি হৈছে। বৰষুণৰ পৰিমাণ হ্ৰাস পোৱাৰ লগতে দিন আৰু ৰাতি তাপমাত্ৰাৰ তাৰতম্যৰ বাবে এনে হৈছে।

ooooooo

বৰপেটা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত উৎকোচ লোৱাৰ অপৰাধত দুৰ্নীতি নিবাৰক আৰু তদাৰকী শাখাৰ দলে আজি আনোৱাৰ হুচেইন নামৰ এজন লাট মণ্ডলক হাতে লোটে ধৰা পেলায়। অভিযোগ অনুসৰি কয়াকুছিৰ এজন লোকৰ ভূমি সংক্ৰান্তীয় কাম কৰি দিয়াৰ বিনিময়ত মণ্ডল জনে প্ৰথমে ২০ হাজাৰ টকাৰ উৎকোচ দাবী কৰিছিল। ভুক্তভোগী লোকজনে এই কথা জনাই দুৰ্নীতি নিবাৰক আৰু তদাৰকী শাখাত এই সন্দৰ্ভত অভিযোগ দাখিল কৰে। সেই অভিযোগৰ ভিত্তিত শাখাটোৰ এটা দলে অভিযান চলাই লাট মণ্ডলজনক  উৎকোচ লৈ থকাৰ সময়তে কৌশলেৰে ধৰা পেলায়। পাছত আৰক্ষীয়ে অভিযুক্ত আনোৱাৰ হুচেইনক গ্ৰেপ্তাৰ কৰে।

ooooooo

বিশিষ্ট সংগীত প্ৰযোজক তথা সুৰকাৰ বিপুল বৰুৱাক আকাশবাণীৰ সৰ্বোচ্চ সংগীত প্ৰযোজকৰ স্বীকৃতি প্ৰদান কৰা হৈছে। আকাশবাণীৰ সঞ্চালকালয়ে শ্ৰীবৰুৱাক সংগীতৰ প্ৰযোজনাৰ ক্ষেত্ৰত সৰ্বোচ্চ স্বীকৃতি প্ৰদান কৰা পত্ৰ খন আজি আকাশবাণী গুৱাহাটীত কেন্দ্ৰত আয়োজিত এটা অনুষ্ঠানত তেওঁক আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। উল্লেখযোগ্য যে, বিশিষ্ট সংগীত প্ৰযোজক তথা সুৰকাৰ অনুপম চৌধুৰীৰ পাছত এই স্বীকৃতি লাভ কৰা শ্ৰীবিপুল বৰুৱা হৈছে অসমৰ দ্বিতীয়গৰাকী সংগীত শিল্পী। সু-প্ৰসিদ্ধ সুৰকাৰ মুকুল বৰুৱাৰ পুত্ৰ শ্ৰীবিপুল বৰুৱাই আকাশবাণীৰ স্থায়ী সংগীত প্ৰযোজক হিচাপে আজি কিছুবছৰ পূৰ্বে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল।

ooooooo

সমাপ্ত